AMAZING FACTS India


# ভাৱবাণীৰ এক সম্পূৰ্ণ দৃশ্য

## জীৱন পৰিবৰ্ত্তন কৰা এটা বাইবেল অধ্যয়ণ!

## গৌৰৱময় ৰাজ্য

১ম ৰাজাৱলি ৩:৫-১৫; ১০:১-২৯

## কাহিনী...



**ইস্ৰায়েলৰ** নতুন ৰজা হিচাপে চলোমনক ৰাজপাটত বহুৱাৰ পিছত, ঈশ্বৰ যিহোৱাই তেওক দৰ্শন দিছিল আৰু সুধিছিল, “মই তোমাক কি বৰ দিম খোজা”। ১ম ৰাজাৱলি ৩:৫। যুৱ ৰজা গৰাকীয়ে টকা-পইচা, যসশ্যা, সুখ্যাতি নাইবা দীৰ্ঘায়ু খুজিব পাৰিলেহেতেন, কিন্তু তেও তেনেকুৱা একো বিচৰা নাছিল। ইয়াৰ পৰিবৰ্ত্তে তেও ঈশ্বৰৰ লোকসকলক ভালদৰে চলাবলৈ মাত্ৰ জ্ঞানহে বিচাৰিছিল। সেই বিনম্ৰ আৰু আন্তৰিকতাময় প্ৰাৰ্থনাৰ উত্তৰ ৰূপে, ঈশ্বৰ যিহোৱাই চলোমনক প্ৰচুৰ জ্ঞান আৰু বোধশক্তি প্ৰদান কৰিছিল-যি কোনো মানৱৰ গাত নাছিল আৰু নাথাকিব। ইয়াৰ বাদেও ঈশ্বৰে তেওক যসশ্যা, সুখ্যাতি, ধন-দৌলত আৰু দীৰ্ঘায়ুৰ আৰ্শীবাদেৰে উপচাই পেলাইছিল।

চলোমনৰ ৰাজত্বৰ কালত ইস্ৰায়েল জাতিটোৱে অতুলনীয় শান্তি আৰু সমৃদ্ধি উপভোগ কৰিছিল। তেওৰ সময়চোৱাত যিৰোচালেমত মূল্যৱান ধাতুৰ ইমান উভৈনদী আছিল যে ৰূপ আদি ধাতুক সাধাৰন শিলৰ দৰে গণ্য কৰা হৈছিল (১ম ৰাজাৱলি ১০:২৭)। ঈশ্বৰৰ নিমিত্তে চলোমনে নিৰ্ম্মান কৰা সোন আৰু মাৰ্ব্বল পাথৰৰ জাকজমকীয়া মন্দিৰটোৰ বাহিৰেও, তেও বহুখৰচী এটা ৰাজ-অট্টালিকা আৰু প্ৰাঙ্গনৰ লগতে সমগ্ৰ নগৰখনত তেওৰ ৰথ আৰু অশ্বাৰোহী সকলৰ বাবে গৃহ নিৰ্ম্মান কৰিছিল। দুস্প্ৰাপ্য গছ-গছনিৰে সৈতে অতি মোহনীয় ফুলৰ বাগিছাবোৰে প্ৰতিখন চহৰৰ শোভা বঢ়াইছিল। পৃথিবীৰ চাৰিওফালে থকা ৰজা-মহাৰজা, মহত-ব্যক্তি সকল, আৰু ৰাজ-পৰিয়ালৰ লোকসকল, এইবোৰ চাবলৈ আহিছিল আৰু উপহাৰ আনিছিল। তেওবিলাকে যি গভীৰ জ্ঞান ঈশ্বৰে চলোমনৰ অন্তৰত সুমুৱাই ৰাখিছিল তাক শুনিবলৈ বৰকৈ আকাংক্ষ্যা কৰিছিল (১ম ৰাজাৱলি ১০:২৪)।

বহুতো ৰাজকীয় পৰিদৰ্শক সকলৰ মাজত এজন আছিল সুদূৰ ছেবাৰ পৰা অহা ঐশ্বৰ্য্যশালী আৰু পৰম সুন্দৰী ৰানী। তাই সৰ্ব্ব-প্ৰথমে চাবলৈ বিচাৰিছিল, ইস্ৰায়েলৰ ৰজা গৰাকীৰ বিষয়ে শুনা কথাবোৰ সচা হয় নে নহয়। ছেবাৰ ৰানী গৰাকীয়ে বহুতো কঠিন প্ৰশ্নেৰে চলোমনক পৰীক্ষা কৰিছিল আৰু তেওৰ জ্ঞান আৰু বুদ্ধি সম্পন্ন উত্তৰৰ দ্বাৰাই বিচূৰ্ত্তি খাইছিল। সকলোবোৰ ঠাইতে তাই লক্ষ্য কৰি, তাইৰ চেতনাবোৰ তধালাগি ৰৈছিল। কিন্তু এনেকি ইস্ৰায়েল, ইয়াৰ এই শীৰ্ষতম বিন্দুটো সেই গৌৰৱময় ৰাজ্যখনৰ তুলনাত একো নথকাৰ সমান যিখন ৰাজ্যক ঈশ্বৰে আপোনাৰ নিমিত্তে প্ৰস্তুত কৰি ৰাখিছে।



পাঠ নং-৫

# অধ্যয়ন

*প্ৰতিটো বাইবেল পদ পঢ়াৰ পিছত তলত দিয়া খালী ঠাইবোৰ পুৰন কৰক।*

## ১. যীচুৱে তেওঁৰ লোকসকলৰ নিমিত্তে কি প্ৰতিজ্ঞা কৰিছিল?

**যোহন ১৪:২** *মোৰ পিতৃৰ ঘৰত অনেক* ____________________ *আছে নোহোৱা হলে ... কিয়নো মই তোমালোকলৈ* ____________________ *যুগুত কৰিবলৈ যাওঁ।*

## ২. যীচুৱে যুগুত কৰি থকা এই ঠাইখনৰ বিষয়ে আমি কি জানো?

**যিচয়া ৬৫:১৭** *কিয়নো চোৱা, মই* ____________________ *আকাশ মন্ডল আৰু নতুন পৃথিবী সৃষ্টি কৰোঁ।*

**ইব্ৰী ১১:১৬** *কিয়নো তেওঁবিলাকৰ কাৰনে তেওঁ এখন* ____________________ *যুগুত কৰিলে।*

**মথি ৫:৫** *নম্ৰবলাক ধন্য; কিয়নো তেওঁবিলাকে* ____________________ *অধিকাৰ কৰিব।*

**যিচয়া ৬৫:২১** *আৰু তেওঁবিলাকে* ____________________ *সাজি তাৰ ভিতৰত বাস কৰিব।*

**টোকা:** এই বিস্ময়কৰ কথাবোৰৰ বিষয়ে আলোচনা কৰক! ঈশ্বৰে তেওঁৰ লোকসকলৰ নিমিত্তে নতুন আকাশ মন্ডল, এখন নতুন পৃথিবী আৰু এখন নতুন পবিত্ৰ নগৰ সৃষ্টি কৰিলে। ধাৰ্ম্মিক সকলে যীচুৰ দ্বাৰাই নিৰ্ম্মিত এখন নগৰত স্হাপিত এটা গৌৰৱময় অট্টালিকাত বাস কৰিব (যোহন ১৪:২), ইয়াৰ লগতে থাকিব, নতুন পৃথিবীখনত তেওঁবিলাকে নিজে নিৰ্ম্মান কৰা এখন সুন্দৰ গাৱলীয়া ঘৰ (যিচয়া ৬৫:২১)।

## ৩. পবিত্ৰ নগৰখনৰ বিষয়ে অধিক আমি আৰু কি জানো?

**প্ৰকাশিতবাক্য ২১:১৬** *সেই নগৰখন চাৰি-চুকীয়া* ____________________ ____________________ *সমান। পাছে তেওঁ নলেৰে নগৰ জুখিলত, পোন্ধৰ শ* ____________________ *হল ...।*

**প্ৰকাশিতবাক্য ২১:২** *পবিত্ৰ নগৰ যিৰুচালেমক, ঈশ্বৰৰ ওচৰৰ পৰা অৰ্থাত* ____________________ *পৰা নমা দেখিলো।*

**প্ৰকাশিতবাক্য ২১:১০, ১২** *তাতে তেওঁ মোক আত্মাত এটা ডাঙৰ আৰু ওখ পৰ্ব্বতলৈ নি, ঈশ্বৰৰ ওচৰৰ পৰা অৰ্থাত স্বৰ্গৰ পৰা নামি অহা, ঈশ্বৰৰ প্ৰভাৰ-যুক্ত সেই পবিত্ৰ যিৰুচালেম নগৰ মোক দেখুৱালে ... তাইৰ ওখ আৰু ডাঙৰ গড়, আৰু* ____________________ *দুৱাৰ আছে।*

**প্ৰকাশিতবাক্য ২১:১৮** *তাৰ* ____________________ *গাঠনি* ____________________ *।*

**প্ৰকাশিতবাক্য ২১:২১** *নগৰৰ আলিবাট* ____________________ *।*

**টোকা:** পবিত্ৰ নগৰখন বৰ্গাকাৰ আৰু ইয়াৰ চাৰিওফালৰ দূৰত্ব ১২০০০ ফাৰ্লং, বা ১৫০০ মাইল (এখ ফাৰ্লঙৰ পৰিমান হৈছে এমাইলৰ আঠ ভাগৰ এভাগ)। ই স্বৰ্গৰ পৰা নতুন পৃথিবীলৈ নামি আহিছে আৰু এতিয়া যি ঠাইত জৈতুন পৰ্ব্বত অৱস্হিত তাতেই অৱতৰন কৰিব (জখৰীয়া ১৪:৪)। ইয়াৰ বাৰখন দুৱাৰৰ প্ৰত্যেকখনকে এটা এটা মুকুতাৰে তৈয়াৰ কৰা (প্ৰকাশিতবাক্য ২১:২১), আৰু নগৰৰ সুৰ্য্যকান্ত মনিৰে নিৰ্ম্মিত গড়বোৰ জোখ ১৪৪ কিউবিট (প্ৰকাশিতবাক্য ২১:১৭) অৰ্থাত ২১৬ ফুট বহল (এখ কিউবিট ১৮ ইঞ্চিৰ সমান)।

## ৪. নগৰৰ পানী আৰু খাদ্য যোগান ব্যৱস্হাৰ বিষয়ে বাইবেলে কি কৈছে বাৰু?

**প্ৰকাশিতবাক্য ২২:১** *... স্ফটিকৰ নিচিনা উজ্জ্বল, জীৱন-জলৰ ____________________ আলিবাটৰ মাজত মোক দেখুৱালে ...।*

**প্ৰকাশিতবাক্য ২২:২** *সেই নদীৰ ইপাৰে সিপাৰে ____________________ বৃক্ষ আছিল সেই বৃক্ষে বাৰ বেলি ফল উতপন্ন কৰে, মাহে মাহে তাৰ ফল দিয়ে, আৰু সেই বৃক্ষৰ পাত হৈছে, জাতিবিলাক সুস্হ হবৰ কাৰনে।*

**টোকা:** কেতিয়াও শুকাই নোযোৱা, বিশুদ্ধ পানীৰ নদী ঈশ্বৰৰ সিংহাসনৰ পৰা বৈ গৈছে, আৰু জীৱন বৃক্ষই প্ৰতিমাহে বেলেগ বেলেগ ফল উতপন্ন কৰিছে। এই অদ্ভুত ফলে আৰু ইয়াৰ পাতবোৰে মৃত্যুৰ প্ৰতিকাৰ সাধে আৰু অনন্ত জীৱন যুগমীয় কৰি ৰাখে। ইয়াৰ লগতে, ঈশ্বৰৰ ধাৰ্ম্মিক লোকবিলাকে, তেওবিলাকৰ গাৱলীয়া ঘৰখনত নিজৰ খাদ্য উতপন্ন কৰিব (যিচয়া ৬৫:২১)। জগতত পাপ প্ৰৱেশ কৰাৰ পূৰ্ব্বে যি আহাৰ আছিল সেয়াই ঈশ্বৰৰ লোকবিলাকৰ আহাৰ হব- ফল-মুল, গুটি ধৰা সকলো বন, ভিতৰত গুটি থকা ফল (আদিপুস্তক ১:২৯, ৩১)। ইয়াৰ সোৱাদ হব ভাষাৰে বৰ্ননা কৰিব নোৱাৰা আৰু খাদ্য-প্ৰাণ হব সম্পূৰ্ণ সিদ্ধ।

## ৫. স্বৰ্গত বাস কৰা আৰু পৃথিবীত বাস কৰাৰ মাজত কেনেকুৱা পাৰ্থক্য থাকিব?

ক. **যিচয়া ৩৫:৫** *অন্ধবিলাকৰ ____________________ খোলা হব।*

খ. **যিচয়া ৩৫:৫** ____________________ *কান মুকলি হব।*

গ. **যিচয়া ৩৫:৬** *খোৰাই হৰিনীৰ দৰে ____________________ দিব।*

ঘ. **যিচয়া ৬৫:২৫** *জীৱ-জন্তুবিলাকে ____________________ নকৰিব আৰু ধ্বংশ নকৰিব ...।*

ঙ. **যিচয়া ১১:৬** *ৰাংকুকুৰে ভেৰা পোৱালিৰ লগত বাস কৰিব ... এটি ____________________ ____________________ সিহতক চলাব ...।*

চ. **যিচয়া ৩৫:১** *মৰুভুমি উল্লাসিত হৈ গোলাপ ফুলৰ নিচিনা ____________________ হব ...।*

ছ. **যিচয়া ৩৩:২৪** *মই ____________________ এই বুলি নগৰ-নিবাসীয়ে নকব ...।*

জ. **প্ৰকাশিতবাক্য ২১:৪** *তাতে ____________________ আৰু নহব শোক, বা ক্ৰন্দন, বা বেদনাও আৰু নহব ...।*

### ৬. ধাৰ্মিক সকলে কেনেকুৱা ধৰনৰ শৰীৰ লাভ কৰিব?

**ফিলিপীয়া ৩:২০, ২১** *... এই নীহ অৱস্হাৰ শৰীৰক ৰূপান্তৰ কৰি, তেওঁৰ ____________________ শৰীৰৰ সমৰূপ কৰিব।*

### ৭. যীচুৰ শৰীৰটো বাস্তৱ শৰীৰ নে নতুবা তেও এটা আত্মাহে?

**লূক ২৪:৩৯** *মোৰ হাত-ভৰি চাই জ্ঞাত হোৱা যে, মইহে; মোক স্পৰ্শ কৰি চোৱা; কিয়নো মোক যেনে দেখিছা, সেইদৰে ____________________ হাড়-মঙহ নাই।*

**টোকা:** যীচুৰ শৰীৰটো তেওৰ পুনৰুত্থানৰ পিছতো হাড় আৰু মঙহৰ এটা বাস্তৱ শৰীৰেই আছিল যাক আপুনি স্পৰ্শ আৰু অনিভৱ কৰিব পাৰে। যেতিয়া তেও অকস্মাতে শিষ্যবিলাকৰ সন্মুখত দেখা দিছিল তেতিয়া তেওবলাকে প্ৰথমতে তেওক এটা আত্মা বুলিহে ভাবিছিল, কিন্তু তেওবলাকে তেওক তত ধৰাৰ পিছত আৰু তেওক আহাৰ কৰা দেখা পোৱাৰ পিছত (লূক ২৪:৪০-৪৩), তেওবলাকে জানিছিল যে তেও সচা-সচি যীচুৱেই। চল্লিচ দিনৰ পিছত, যীচুৱে তেওবিলাকক বেথানিলৈ লৈ গৈছল আৰু স্বৰ্গাৰোহন কৰিছিল (লূক ২৪:৫০, ৫১)। তেওবিলাকৰ আগত দেখা দিয়া স্বৰ্গদূতবিলাকে তেওবিলাকক কৈছিল, “এই যি যীচুক তোমালোকৰ ওচৰৰ পৰা স্বৰ্গলৈ নিয়া হল, তোমালোকে যেনেকৈ তেওক স্বৰ্গলৈ যোৱা দেখিলা, তেনেকৈ তেও আকৌ আহিব”। পাচনিকৰ্ম্ ১:১১। তেওৰ অৱতাৰ হোৱাৰ দিনটোৰে পৰা, যীচু সদাকাল মানৱ জাতিটোৰ সৈতে আৰু সেইদৰে ঐশ্বৰিক জনা হৈয়ো সম্পৰ্ক স্হাপন কৰি আহিছে।

### ৮. আৰু কি কি উতসামুলক প্ৰতিজ্ঞা বিচাৰি পোৱা যায় বাৰু?

**পাচনিকৰ্ম ৩:২০, ২১** *তোমালোকৰ নিমিত্তে নিৰূপিত খ্ৰীষ্ট..যীচুক যেন তেও পঠাই দিয়ে ... সকলো বিষয়ৰ ____________________ সেই সেই সময়লৈকে, স্বৰ্গই যীচুক গ্ৰাহ্য কৰিবৰ আৱশ্যক আছে।*

**টোকা:** ঈশ্বৰৰ গৌৰৱ-প্ৰশংসা হওক, পাপ প্ৰৱেশৰ দ্বাৰাই হেৰুৱাই লোৱা প্ৰতিটো গৌৰৱময় বস্তুক ঈশ্বৰৰ নতুন ৰাজ্যত পুনঃৰুদ্ধাৰ কৰা হব। আটাইবিলাকে পৰস্পৰে পৰস্পৰক প্ৰকৃতভাৱে প্ৰেম কৰিব, বিশ্বাস কৰিব আৰু সহায় সহযোগিতা কৰিব। ফলস্বৰুপে তাত আৰু কোনো হিংসা ঈৰ্ষা নাথাকিব (যিচয়া ৬০:১৮) আৰু তাত আৰু নাথাকিব কোনো বিশ্বাস-ঘাতক, বেয়া ব্যৱহাৰ, অনুগত্যতাহীন. অভদ্ৰামী, পৰচৰ্চা, নিৰাপত্তাহীনতা, নৈৰাশ্যতা, বিপদ, হতাশা নাইবা হৃদয়-বেদনা। তাত থাকিব আনন্দ সুখ শান্তি, সন্তুষ্টতা, আৰু অনন্তকালৰ নিমিত্তে কুলায়ে-পাচিয়ে নধৰা জীৱন।

### ৯. এই পাৰ্থিৱ জীৱনটোৰ দুখ লগা বা বেদনা দায়ক স্মৃতিবোৰে লোকসমুক স্বৰ্গত ব্যাঘাত দিব নেকি বাৰু?

**যিচয়া ৬৫:১৭** *পূৰ্ব্বকালৰ কথাবোৰ সোঁৱৰন কৰা বা মনত কৰাও ____________________ ।*

**টোকা:** “মনত কৰাও নহব” এই খদ্যবাক্যটোৰ ভাল অনুবাদ হৈছে “মনৰ পৰা গুচাই পেলোৱা হব”। ইয়াত ঈশ্বৰ যিহেতুই প্ৰতিজ্ঞা কৰিছে যে এই পৃথিবীৰ দুখবোৰে তেওৰ সাধু-সন্ত সকলক স্বৰ্গত দুখ নিদিব।

### ১০. এই পৃথিবীৰ পৰা যোৱা লোকসকলে ঈশ্বৰৰ নতুন ৰাজ্যত পৰস্পৰে পৰস্পৰক চিনি পাবনে?

**১ম কৰিন্থীয়া ১৩:১২** *কিন্তু তেতিয়া, মই যেনেকৈ সম্পুৰ্ণকৈ ____________________ হলো, তেনেকৈ সম্পূৰ্ণকৈ জানিম।*

**টোকা:** আমালোকৰ চেহেৰা-পাতি, চলন-ফুৰন, আচাৰ-ব্যৱহাৰ, কণ্ঠন ইত্যাদিৰ দ্বাৰাই আমি অৱশ্যেই ইজনে সিজনক চিনিব পাৰিম। ইজনে সিজনক বুজি আৰু চিনি পোৱাৰ আমাৰ যি সামৰ্থতা সি স্বৰ্গত আৰু বেচিকৈ উন্নতি সাধন হব। স্বৰ্গ হব পাৰিবাৰিক সদশ্যৰ পুনঃমিলনৰ এক অপূৰ্ব্ব মিলন ভুমি।

## ১১. তেওৰ আহি থকা ৰাজ্যখনৰ সংক্ৰান্তত ঈশ্বৰে আমালোকক আৰু কি কি শিহৰনকাৰী প্ৰতিজ্ঞা প্ৰদান কৰিছে বাৰু?

ক. **যিচয়া ৩৫:১০** *আৰু যিহোৱাৰ দ্বাৰাই উদ্ধাৰ পোৱা লোকবিলাক উলটি আহিব ... আৰু অনন্ত ____________________ গীত গায় চিয়োনলৈ আহিব।*

খ. **গীতমালা ১৬:১১** *... তোমাৰ সোহাতে অনন্ত ____________________ ।*

গ. **জখৰীয়া ৮:৫** *আৰু চকত ____________________ কৰা লৰা-ছোৱালীৰে নগৰৰ চকবোৰ পৰিপূৰ্ণ হব।*

ঘ. **যিচয়া ৪০:৩১** *তেওবিলাকে লৰ মাৰি ____________________ নহব, তেওবিলাকে গমন কৰি ____________________ নাপাব।*

ঙ. **যিচয়া ৪০:৩১** *তেওবিলাকে কুৰৰ পক্ষীৰ দৰে ____________________ ওপৰলৈ উৰিব।*

**টোকা:** সাধু-সন্ত বিলাকে পোহৰৰ বেগত কুৰৰ পক্ষীৰ দৰে উৰিবলৈ সক্ষম হব। যিহেতু তেওবিলাকে সকলো বস্তুৰে উত্তৰাধিকাৰী হব (প্ৰকাশিতবাক্য ২১:৭), তেওবিলাকে আন জগতবোৰকো ভ্ৰমন কৰিব পাৰিব, তাত গৈ পাবলৈ মাত্ৰ এটা ক্ষণহে লাগিব। শাস্ত্ৰীয় বচন অনুযায়ী, ঈশ্বৰে আন আন জগতো সৃষ্টি কৰিছিল যিবোৰ কেতিয়াও পাপত পতিত হোৱা নাই (ইয়োব ১:৬; ইব্ৰী ১:২; ১১:৩)

## ১২. ঈশ্বৰৰ নতুন ৰাজ্যখনৰ বিষয়ে আমি শব্দৰে উপযুক্তভাৱে বৰ্ণনা কৰিব পাৰিম নে?

**১ম কৰিন্থীয়া ২:৯** *চকুৱে যি যি নেদেখিলে, কানে যি যি নুশুনিলে, আৰু ____________________ যি যি নোসোমাল, ঈশ্বৰে তেওক প্ৰেম কৰোতাবিলাকৰ নিমিত্তে যি সকলো যুগুত কৰিলে।*

**টোকা:** আপুনি আৰু মই, আমাৰ বৰ্ত্তমানৰ অৱস্থাত ঈশ্বৰে তেওৰ সন্তান সকলৰ নিমিত্তে যি আচৰিত বস্তুবোৰ যুগুত কৰিলে সেইবোৰৰ বিষয়ে আমি এনেকি কল্পনা কৰিবলৈকো সক্ষম নহও। স্বৰ্গৰ অপূৰ্ব্ব আৰ্শীবাদ আৰু আনন্দৰ প্ৰকৃত ছবিখন দাঙি ধৰিবলৈ কোনো শব্দ, কোনো ভাৱনা নাইবা কোনো সপোনো সক্ষম নহয়। জগতত আমি যেনেকুৱা ধৰনৰেই দুখ কষ্ট ভুগিব লগীয়া নহও কিয়, স্বৰ্গত থাকি জগতৰ আটাইবিলাক ফান্দ পৰীক্ষা দুখ কষ্ট এইবোৰৰ একো অনুভৱেই নাথাকিব (ৰোমীয়া ৮:১৮)।

## ১৩. ঈশ্বৰৰ ৰাজ্যৰ সৰ্ব্বোচ্চ পুৰস্কাৰ কি বাৰু?

**প্ৰকাশিতবাক্য ২১:৩** *স্বয়ং ঈশ্বৰেই তেওবিলাকৰ ____________________ নিবাস কৰিব।*

**টোকা:** ইয়াক বিশ্বাস কৰক আৰু ভক্তি-ভয়েৰে দৃঢ় হৈ থাকক! নতুন পৃথিবীত আচলতে ঈশ্বৰে তেওঁৰ লোকসকলৰ সৈতে একেলগে বাস কৰিব। ইয়াৰ ফলত পোৱা আনন্দ, ফুৰ্ত্তি আৰু মহিমা, গৌৰৱ প্ৰসংশা এইবোৰ কাৰো লগত তুলনা নহয়।

## ১৪. ঈশ্বৰৰ স্বৰ্গীয় ৰাজ্যখনৰ পৰা কিহে মানুহক বাহিৰ কৰি ৰাখিব?

**প্ৰকাশিতবাক্য ২১:২৭** *কোনো ____________________ বস্তু, বা ঘিণলগীয়া কৰ্ম্ম কৰা আৰু মিছা কোৱা কোনেও তাৰ ভিতৰত কেতিয়াও নোসোমাব।*

**প্ৰকাশিতবাক্য ২১:৭** *যি জনে ____________________ কৰে, তেওঁ এইবিলাকৰ অধিকাৰী হব।*

**টোকা:** পাপে কুলষিত কৰে আৰু ইয়াক স্বৰ্গত প্ৰৱেশ কৰিবলৈ অনুমতি দিয়া নহব, অন্যথা সকলোতে আকৌ এবাৰ বিদ্ৰোহৰ সূত্ৰপাত ঘটিব। (সংযোজনৰ "ঈশ্বৰৰ ৰাজ্য বিষয়টো" চাওক)।

## ১৫. পাপৰ ক্ষেত্ৰতনো মই কি কৰিব পাৰো?

**১ম যোহন ১:৯** *কিন্তু আমি নিজ নিজ পাপবোৰ স্বীকাৰ কৰিলে, বিশ্বাসী আৰু ধাৰ্ম্মিক যি তেওঁ, তেওঁ আমাৰ পাপবোৰ ক্ষমা কৰে আৰু সকলো অধৰ্ম্মৰ পৰা ____________________ ____________________ কৰে।*

**টোকা:** মই যদি পাপ ক্ষমাদানৰ বাবে যীচুক নিবেদন কৰো, তেওঁ মোক ক্ষমা কৰিব আৰু মোক পাপৰ পৰা শুচি কৰিব আৰু মোক তেওঁৰ সন্তান কৰি লব।

## ১৬. এই জীৱনটোত আৰু পৰৱৰ্ত্তি জীৱনত সফল হোৱাৰ সূত্ৰটো কি বুলি যীচুৱে কৈছিল?

**মথি ৬:৩৩** *তোমালোকে প্ৰথমে ____________________ ____________________ আৰু ধাৰ্ম্মিকতা বিচাৰা তাতে এই সকলোও তোমালোকক দিয়া হব।*

**টোকা:** "তোমাক কি লাগে" বুলি ঈশ্বৰে সোধোতে চলোমন ৰজাই ঠিক এইদৰে, এইবোৰকেই পাবলৈ বিচাৰিছিল। তেওঁৰ সৰ্ব্বপ্ৰথম চিন্তাটো আছিল ঈশ্বৰৰ ৰাজ্য আৰু তেওঁৰ ধাৰ্ম্মিকতা। ইয়াৰ প্ৰতিদান কল্পে এখন গৌৰৱময় আৰ্শীৰাদপূৰ্ণ ৰাজ্যখন উন্নতিৰ জখলাত বগাই গৈছিল। এনে সৌভাগ্য আমাৰ ক্ষেত্ৰতো হব যেতিয়া আমি সৰ্ব্বপ্ৰথমে ঈশ্বৰৰ ৰাজ্য আৰু তেওঁৰ ধাৰ্ম্মিকতা বিচাৰিম।

# আপোনাৰ সহাৰি

*জগতৰ আটাইবিলাক ঘটনাৰ ওপৰত ঈশ্বৰৰ যে সম্পূৰ্ণ নিয়ন্ত্ৰন আছে তাক চিনি পাই, আপুনি আপোনাৰ জীৱনটোক সম্পূৰ্ণকৈ তেওক নিয়ন্ত্ৰন কৰিবলৈ আপুনি এৰি দিবলৈ ইচ্ছা কৰিব নে?*

***উত্তৰ:*** ______________________

# সংযোজন

*এই খন্ডটিয়ে অতিৰিক্ত অধ্যয়নৰ বাবে অধিক তথ্যৰ যোগান ধৰিব।*

### ঈশ্বৰৰ ৰাজ্য

বাইবেল হৈছে অনবৰতে সংঘৰ্ষত লিপ্ত হোৱা দুখন ৰাজ্যৰ এখন নথী-ঈশ্বৰৰ ৰাজ্য আৰু চয়তানৰ ৰাজ্য। যীচুৱে তেওৰ উপদেশবোৰত ঈশ্বৰৰ ৰাজ্যক কেন্দ্ৰবিন্দু কৰি লৈছল। কেৱল মাত্ৰ নতুন নিয়মতে ঈশ্বৰৰ ৰাজ্যৰ বিষয়ে ১০০তকৈ অধিকবাৰ উল্লেখ আছে, আৰু তাৰে বেচিভাগ যীচুৰ দৃষ্টান্তবোৰত উল্লেখ আছে। তেওৰ উপদেশৰ পৰা আমি শিকিলো যে ঈশ্বৰৰ ঐশ্বৰিক ৰাজ্যখন দুটা বেলেগ বেলেগ শ্ৰেনীত ভাগ কৰা হৈছে-আত্মিক আৰু আক্ষৰিক।

স্বৰ্গৰ আত্মিক ৰাজ্যখনৰ নাগৰিক সকলৰ শাসক হৈছে ঈশ্বৰ আৰু তেও তেওবিলাকৰ হৃদয়ত থাকি ৰাজত্ত কৰে। পৰিবৰ্ত্তন হোৱাৰ আগতে আমাৰ হৃদয়ৰ ৰাজ-সিংহাসনখন চয়তান, পাপ, আৰু আত্মধীনতাৰ দ্বাৰাই অধিকৃত হৈ থাকে। কিন্তু আমি যীচুৰ পাপক্ষমা আৰু শক্তি গ্ৰহন কৰাৰ পিছত সেই শিকলিডাল চিঙি যায়। এই কাৰনে পৌলে এইবুলি কৈছে, “এতেকে তোমালোকে শৰীৰৰ অভিলাষৰ বশ হবলৈ, তোমালোকৰ মৰ্ত্ত্য শৰীৰত পাপক ৰাজত্ব কৰিবলৈ নিদিবা ... কিয়নো তোমালোকৰ ওপৰত পাপে প্ৰভুত্ব নকৰিব; কাৰন তোমালোক বিধানৰ অধিন নোহোৱা, অনিগ্ৰহৰহে অধীন হৈছা”। ৰোমীয়া ৬:১২, ১৪। “কিন্তু মই যদি ঈশ্বৰৰ আঙুলিৰে ভূতবোৰক খেদাও, তেন্তে ঈশ্বৰৰ ৰাজ্য অৱশ্যে তোমালোকৰ ওচৰ পালেহি” লূক ১১:২০।

এজন ব্যক্তিয়ে খ্ৰীষ্টক গ্ৰহন কৰাৰ লগে লগে, তেও সেই ক্ষণতেই ঈশ্বৰৰ আত্মিক ৰাজ্যৰ নাগৰিক হয়। এই কাৰনে যীচু আৰু যোহন ডুবক উভয়ে লোকসমুহক অনুতাপ কৰিবলৈ জোৰ কৰাৰ দ্বাৰাই তেওবিলাকৰ পৰিচৰ্য্যা আৰম্ভ কৰিছিল, “কিয়নো স্বৰ্গৰাজ্য ওচৰ হল”! মথি ৩:২; ৪:১৭। “ওচৰ হলৰ” অৰ্থ হল “যেতিয়াই বিচাৰে তেতিয়াই পোৱা অৱস্হা”, বা “এতিয়াই পাব পৰা অৱস্হাত” থকা। এই কাৰনে যীচুৱে এই বুলি কৈছিল, “ঈশ্বৰৰ ৰাজ্য দৃশ্যৰূপে নাহে ইয়াতে, সেইখিনিতে চোৱা, এনে কথা নকব; কিয়নো চোৱা, ঈশ্বৰৰ ৰাজ্য তোমালোকৰ ভিতৰতে আছে”। লূক ১৭:২০, ২১। এজন ব্যক্তিয়ে বাপ্তিষ্ম লোৱাৰ লগে লগে, তেও চয়তানৰ অন্ধকাৰ ৰাজ্যখন এৰি গুচি আহে আৰু ঈশ্বৰৰ পোহৰৰ ৰাজ্যত যোগদান কৰে।

খ্ৰীষ্টৰ প্ৰত্যেকজন প্ৰকৃত অনুসৰনকাৰী হৈছে ঈশ্বৰৰ আত্মিক ৰাজ্যৰ পৰা এই পৃথিবীলৈ অহা এজন এজন ৰাষ্ট্ৰদূত। অন্য দেশসমুহৰ পৰা অহা ৰাষ্ট্ৰদূত সকলে প্ৰায়ে বেলেগ ভাষা কেৱা, বেলেগ কাপোৰ পিন্ধা, বেলেগ আহাৰ খোৱা, বেলেগ মূদ্ৰা ব্যৱহাৰ কৰা আৰু বেলেগ ৰীতি-নীতি পালন কৰা দেখা যায়। ঠিক সেইদৰে খ্ৰীষ্টিয়ান ৰাষ্ট্ৰদূত হিচাপে আমি কিদৰে খাও, কিদৰে পিন্ধো, কথা পাতো, আৰু আমাৰ সময় আৰু টকা-পইচাবোৰ কিদৰে খৰছ কৰো ইত্যাদিবোৰৰ দ্বাৰাই আমাৰ প্ৰভুৰ ৰাজ্যখনৰ সঠিকৰূপে প্ৰতিনিধিত্ব কৰিবলৈ আমি সচেতন হোৱা উচিত।

কোনোবা এটা দিনত ঈশ্বৰৰ লোকসকলে এই পাঠত আলোচনা কৰা ঈশ্বৰৰ দৃশ্যমান, আক্ষৰিক ৰাজ্যৰ উত্তৰাধিকাৰ লাভ কৰিব। আমি প্ৰভুৱে শিকোৱা প্ৰাৰ্থনাত পাবলৈ হেপাহ কৰা ৰাজ্যখন এইখনেই, "তোমাৰ ৰাজ্য হওক"। মথি ৬:১০। এক হাজাৰীয় বছৰৰ বিচাৰৰ পিছত আৰু প্ৰকাশিতবাক্য ২০ অধ্যায়ত বৰ্ননা কৰা যুদ্ধখনৰ পিছত ঈশ্বৰৰ আক্ষৰিক ৰাজ্যখন অৱশেষত সম্পূৰ্ণকৈ স্হাপন কৰা হব।


©2024 Amazing Facts India
All Rights Reserved Printed in India
+91 916 916 4480 | AFTV.in
অধিক উত্থানশীল, জীৱন পৰিৱৰ্তনকাৰী সম্পদৰ বাবে পৰিদৰ্শন কৰক Bookstore.AFTV.in
ভাববাণীৰ এক সম্পূৰ্ণ দৃশ্য
ASSAMESE